(বিজ্ঞান জগতৰ ৰূপালী মুকুতা)

# মহান বিজ্ঞানী পদ্মশ্ৰী ড° জিতেন্দ্ৰ নাথ গোস্বামী

সংগ্ৰহঃ অজিত কুমাৰ শৰ্মা, ডিব্ৰুগড়

পদ্মশ্ৰী ড° জিতেন্দ্ৰ নাথ গোস্বামী দেৱৰ জন্ম হয় ১৯৫০ চনৰ ১৮ নৱেম্বৰ তাৰিখে অসমৰ এখন প্ৰখ্যাত জিলা যোৰহাটত। তেখেতৰ পিতৃৰ নাম আছিল স্বৰ্গীয় শ্ৰীনাথ গোস্বামী আৰু মাতৃৰ নাম আছিল ৰম্ভা গোস্বামী। পিতৃ আছিল মধুমিশ্ৰ সত্ৰৰ সত্ৰাধিকাৰ। সমাজ সংস্কাৰক হিচাপেও তেখেতে তিনিখনকৈ শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰিছিল।সেয়া হ'ল ক্ৰমে ডিপ্লিং হায়াৰ হেকেণ্ডেৰী স্কুল,(শিৱসাগৰ), ঢেকিয়াল হায়াৰ হেকেণ্ডেৰী স্কুল,গোলাঘাট) আৰু বৰভেটা প্ৰাইমেৰী আৰু উচ্চ ইংৰাজী বিদ্যালয়, (যোৰহাট )। তেখেত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা গল্ড মেডেলিষ্ট আছিল।



এইজন পিতৃৰেই সুযোগ্য আঠ গৰাকী সন্তানৰ ভিতৰত চতুৰ্থ জন পুত্ৰ আছিল স্বনামধন্য জ্যোতিৰ্বিজ্ঞানী পদ্মশ্ৰী ড° জিতেন্দ্ৰ নাথ গোস্বামী যাক “মুন মেন অফ ইণ্ডিয়া” হিচাপেও জনা যায়। তেওঁ ভাৰতৰ প্ৰথম চন্দ্ৰঅভিযান চন্দ্ৰযান-১ আৰু চন্দ্ৰ অভিযান-২ ৰ সৈতে জড়িত মুখ্য বিজ্ঞানী। এই অভিযানৰ পৰিকল্পনা আৰু ৰূপায়ণতো তেঁওৰ ভুমিকা গুৰুত্বপূৰ্ণ। ড° জিতেন্দ্ৰ

নাথ গোস্বামীদেৱে ১৯৬৫ চনত যোৰহাট চৰকাৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বালক বিদ্যালয়ৰ পৰা অসমৰ ভিতৰত ষষ্ঠ স্থান অধিকাৰ কৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ তেখেতৰ চোকা বুদ্ধিৰ পৰিচয় দিছিল। ইয়াৰ পাচত তেওঁ পদাৰ্থ বিজ্ঞানক মুল বিষয় হিচাপে লৈ কটন মহাবিদ্যালয়ত স্নাতক ডিগ্ৰী পাঠ্যক্ৰমত নাম ভৰ্তি কৰি স্নাতক ডিগ্ৰী লাভ কৰে আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা সেই একে বিষয়তে স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। পি এইচ ডি গৱেষণাৰ বাবে ভাৰতবৰ্ষৰ মুম্বাই আৰু হাইদৰাবাদত অৱস্থিত টাটা মৌলিক গৱেষণা প্ৰতিষ্ঠান, ইয়াত গ্ৰেজুৱেট পাঠ্যক্ৰমৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰিবৰ সুবিধা আছে, গতিকে ডক্টৰেট ডিগ্ৰীৰ বাবে তেখেতে ইয়াত যোগদান কৰে। গৱেষণাৰ সময়ত এবছৰৰ বাবে কেলিফোৰ্নিয়া বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ গৱেষক হিচাপে যোগদান কৰে। অৱশেষত১৯৭৮ চনত মুম্বাই আৰু হাইবাদত অৱস্থিত টাটা মৌলিক গৱেষণা প্ৰতিষ্ঠানৰ পৰা পি এইচ ডি ডিগ্ৰী লাভ কৰে। গোস্বামী দেৱৰ গৱেষণাৰ মূল বিষয় আছিল সৌৰ জগত অধ্যয়ন, ধৰা আৰু গ্ৰহ বিজ্ঞান চৰ্চা কৰা। তেওঁ আৰু তেওঁৰ সহযোগী বিজ্ঞানী সকলে সৌৰজগতৰ সৃষ্টিৰ সময়ত হ্ৰস্ব জীৱন কালৰ ২৬ এ১ নিউক্লাইড কণাই শক্তিৰ উৎসৰ দৰে কাম কৰে বুলি প্ৰমাণ কৰি দেখুৱাৰ লগতে আন কেতবোৰ গুৰুত্বপূৰ্ণ তথ্য দাঙি ধৰিছে। তদুপৰি তেওঁ মহাজাগতিক ৰশ্মি, টেকটনিক প্লেট আদি সম্পৰ্কেও কেতবোৰ গুৰুত্ব পূৰ্ণ ফলাফল দাঙি ধৰিছে। ভৌতিক গৱেষণাগাৰৰ পৰা তেঁও ভাৰতীয় মহাকাশ গৱেষণা সংস্থাৰ গ্ৰহ বিজ্ঞান আৰু এক্সপ্লৰেচন প্ৰকল্পৰ তেওঁ প্ৰাৰম্ভিক পৰ্যায়ত তত্তাৱধায়কৰ ভুমিকা পালন কৰে। তেওঁ মহাকাশযান স্পেচলেব -৩ ত হোৱা ভাৰতীয় মহাজাগতিক ৰশ্মি পৰীক্ষাৰ সহযোগী তত্বৱধায়ক আৰু চান্দ্ৰ নমুনাৰ মুখ্য তত্বাৱধায়ক আছিল। ২০০৮ চনৰ ২২ অক্টোবৰ ভাৰতীয় সময় মতে পুৱা ৬ বাজি ২২ মিনিটত শ্ৰীহৰিকোটাৰ পৰা চন্দ্ৰযান-১ উৎক্ষেপন কৰা হয়। পুনৰ ২০১৩ চনৰ ৫ নৱেম্বৰত ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইচৰোৰ পৰা উৎক্ষেপিত মাৰ্ছ অৰবিটৰ মিছনৰ এজন অন্যতম উপদেষ্টা আহিল। এই অভিযানক মঙ্গলযান হিচাপে জনা যায়। অদূৰ ভৱিষ্যতে মানৱ জাতিৰ বিকাশ আৰু বাসস্থান হিচাপে মঙ্গল গ্ৰহ চিহ্নিত হোৱাৰ সম্ভাৱনা আছে। ২০১৩ চনৰ ৫ নৱেম্বৰত ভাৰতীয় মহাকাশ গৱেষণা সংস্থাৰ দ্বাৰা উৎক্ষেপিত মাৰ্ছ অৰবিটাৰ মিছনৰ এজন অন্যতম উপদেষ্টা আছিল। ২০১৯ চনৰ ২২ জুলাই তাৰিখৰ দিনা দিনৰ ২ বাজি ৪৩ মিনিটত সফল ভাৱে প্ৰক্ষেপণ কৰা হয় চন্দ্ৰযান ২। মহাকাশ

গৱেষণাত ইতিহাস ৰচিবলৈ সক্ষম হোৱা চন্দ্ৰযান-১ আৰু চন্দ্ৰযান-২ ৰ সৈতেএগৰাকী অসমীয়া জড়িত থকা খবৰে প্ৰতিজন অসমীয়াক আনন্দিত কৰিছে।

তেখেতে পোৱা বটা সমূহঃ

(১) ১৯৭৮ চনত ভাৰতীয় জাতীয় বিজ্ঞান একাদেমীৰ যুৱ বিজ্ঞানী বঁটা।

(২) ১৯৮৫ চনত নাছাৰ পাব্লিক চাৰ্ভিচ গ্ৰুপ এচিভমেন্ট বঁটা।

(৩) ১৯৯৪ চনত শান্তি স্বৰূপ ভাটনাগৰ বঁটা।

(৪) ২০০৩ চনত বিজ্ঞান আৰু প্ৰযুক্তিৰ কমল কুমাৰী বঁটা।

(৫) ২০১৪ চনত এচিয়া অচেনিয়া জিঅ'ছায়েন্স ছচাইটিৰ এক্সফৰ্ড বঁটা।

(৬) ২০১৫ চনত অসম চৰকাৰৰ সৰ্বোচ্ছ অসামৰিক সন্মান অসম ৰত্ন।

(৭) ২০১৭ চনত পদ্মশ্ৰী সম্মান লাভ কৰে।

এনে এজন মহান বিজ্ঞানী আমাৰ অসমত জন্ম গ্ৰহন কৰি মাতৃভুমিক গৌৰৱান্বিত কৰাৰ বাবে তেখেতৰ পিতৃ-মাতৃৰ লগতে সমূহ পৰিয়াল বৰ্গলৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

বিঃদ্ৰঃ সকলোবোৰ তথ্য নেটৰ পৰা সংগ্ৰহ কৰা বাবে দুই এটা ত্ৰুটি ৰৈ যাব পাৰে তাৰ বাবে ক্ষমা প্ৰাৰ্থনা।

*****************